## ৰাহুল গান্ধীৰ সাক্ষাৎকাৰ

**দিনাংক- ২৮ জানুৱাৰী ২০১৪**

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

অৰ্ণৱ গোস্বামীৰ সৈতে ৰাহুল গান্ধীৰ সাক্ষাৎকাৰ সকলো সাক্ষাৎকাৰ লওঁতাৰ বাবে এক শিক্ষা হৈ ৰ'ব। নিমন্ত্ৰিত বক্তাক নিজৰ মত প্ৰকাশ কৰাৰ সুবিধা প্ৰদান কৰা হয় । নিমন্ত্ৰিত বক্তাই মত প্ৰকাশ কৰোতে কেতিয়াবা নিজৰ অসমৰ্থতা প্ৰকাশ কৰে ।

সাক্ষাৎকাৰ ছোৱাৰ পাছত আৰু প্ৰতিলিপি পঢ়াৰ পাছত মোৰ মনত এটাই প্ৰশ্ন উত্থাপন হৈছে যে, ৰাহুল গান্ধীয়ে দেশক কি যাচিব ? অথবা বিশেষভাৱে গতি কৰিলে খেলিমেলি হ'ব বুলি সাধাৰণভাৱে মত পোষণ কৰিলে ।

সেই সাক্ষাৎকাৰত দিয়া মতৰ ভিত্তিত মই কিছু কথা দৰ্শাব বিচাৰিছো ।

### কংগ্ৰেছ দ'লৰ প্ৰধানমন্ত্ৰীৰ প্ৰাৰ্থী কিয় নাই ?

ইয়াৰ উত্তৰ বিশ্বাসযোগ্য নহয় । আমি সকলোৱে জানো যে শাসকীয় দ'লৰ সংসদৰ সদস্যই এজন নেতাৰ নিৰ্বাচন কৰে যি প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী হয় । লগতে আমি জানো যে প্ৰধানমন্ত্ৰীৰ স্বৰূপ ডাঙি ধৰা অসাংবিধানিক বা সংবিধানৰ বাহিৰত নহয় । সমগ্ৰ বিশ্বতে এইয়া হয় ।

### ব্যৱস্থাৰ পৰিবৰ্ত্তন আৰু জনসাধাৰণৰ সৱলীকৰণৰ ওপৰত

আমাৰ সংসদীয় গণতন্ত্ৰ আছে । ভাৰতৰ বাবে এই ব্যৱস্থা উপযুক্ত । ৰাহুল গান্ধীয়ে কি বিকল্প ব্যৱস্থাৰ কথা চিন্তা কৰিছে । তেওঁ কয় যে, তেওঁ মুকলি ব্যৱস্থা, তথ্য জনাৰ অধিকাৰ আৰু জনসাধাৰণৰ ক্ষমতা আৰু গণতন্ত্ৰক বিশ্বাস কৰে । এইবোৰেই নৰেন্দ্ৰ মোডীৰ সৈতে তেওঁৰ পাৰ্থক্য । এই পাৰ্থক্যৰ ওপৰত মোৰ সন্দেহ আছে । ভাৰতীয় ৰাজনীতিত সকলোৱে মুকলি ব্যৱস্থা, তথ্য জনাৰ অধিকাৰ আৰু জনসাধাৰণৰ ক্ষমতাক বিশ্বাস কৰে । তেওঁ যে তথ্য জনাৰ অধিকাৰ আৰু সৱলীকৰণত বিশ্বাস কৰে তাৰ বাবে নিজৰ প্ৰমাণ পত্ৰ কিয় দিব লাগে ? কংগ্ৰেছ দ'লৰ কিছুমান লোকে প্ৰাৰ্থীৰ সিদ্ধান্ত লয় । বি জে পি ত জিলা আৰু শাখা খণ্ডই ৰাজ্যিক খণ্ডলৈ প্ৰাৰ্থীৰ পৰামৰ্শতা আগবঢ়ায় । তাৰ পাছত ৰাজ্যিক খণ্ডই কেন্দ্ৰীয় নিৰ্বাচন কমিটিলৈ আনে । বহুত বিচাৰ বিবেচনাৰ পাছত প্ৰাৰ্থীৰ সিদ্ধান্ত লোৱা হয় । আনকি প্ৰধানমন্ত্ৰীৰ প্ৰাৰ্থীৰ বাবেও দ'লৰ সকলো নেতৃ আৰু জনসাধাৰণৰ মাজত বিচাৰ কৰাৰ পাছত শেষত উপযুক্ত জনৰ নাম ঘোষণা কৰা হয় । দেখা যায় যে প্ৰাৰ্থী কোন পৰিয়ালৰ পৰা আহিছে সেইয়া চাইহে কংগ্ৰেছ দ'লৰ প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থীৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় ।

ৰাহুল গান্ধী যদি অন্য ৰাজনৈতিক দ'লৰ সদস্য হ'লহেতেঁন তেন্তে দ'লৰ কাৰ্য্যকৰ্ত্তা হ'বলৈ বহুত সংগ্ৰাম কৰিব লগা হ'লহেতেঁন । তেওঁ কংগ্ৰেছ দ'লৰ পৰিবৰ্ত্তনৰ কথা ক'ব লাগিছিল, সম্পূৰ্ণ ব্যৱস্থাৰ বিষয়ে নহয় ।

**ভাৰতত উৎপাদনৰ কেন্দ্ৰ বিন্দু আৰু চীনৰ সৈতে তুলনাৰ ওপৰত**

এই দিশত ইউ পি এ চৰকাৰে বিগত দহ বৰ্ষত কি কৰিছে । চীনৰ মুল সামৰ্থ হৈছে নিম্ন মূল্যৰ উৎপাদন কৰা । গ্ৰাহকেও কম মূল্যৰহে বস্তু কিনিব বিচাৰে । ভাৰতত উৎপাদিত খণ্ড প্ৰতিযোগিতামূলক হ'বলৈ কম সূদত ধন দিয়াৰ ব্যৱস্থা, বিশ্বৰূপী আন্ত:গাঠঁনি, বিদ্যুত শক্তিৰ প্ৰতিযোগিতামূলক মূল্য, বাণিজ্যিক সুবিধা, বৈশ্বৰিক কৰৰ ব্যৱস্থা, তাৎক্ষণিক সিদ্ধান্ত আৰু মজদুৰৰ ব্যৱস্থা নমনীয় হ'ব লাগিব । আনকি শেষত ৰাজনৈতিক প্ৰত্যাহৰানো আছে, ইউ পি এ চৰকাৰে এই দিশত প্ৰয়োজনীয় সংস্কাৰৰ কাম কৰিছেনে ? স্পষ্টৰূপে ইয়াৰ উত্তৰ 'নাই কৰা' ।

**১৯৮৪ ৰ সংঘৰ্ষ আৰু ২০০২ ৰ গুজৰাটত হোৱা সংঘৰ্ষৰ মাজত তুলনা**

১৯৮৪ চনৰ ৩১ অক্টোৱৰৰ দিনা যেতিয়া এইমছ্‌ত দুপৰীয়া মিছেছ ইন্দিৰা গান্ধীৰ মৰা-শ থোৱা হৈছিল তেতিয়াই 'তেজৰ সলনি তেজ' শ্ল'গানৰ আৰম্ভ হৈছিল । কংগ্ৰেছ নেতাই ইয়াৰ নেতৃত্ব লোৱা দেখা গৈছিল । বহু ঠাইত শিখ সকলক হত্যা কৰা হৈছিল । এই হিংসাত্মক কাৰ্য্যকলাপক ৰোধ কৰিব'লৈ কোনো পুলিচে এটা গুলীও ব্যৱহাৰ কৰা নাছিল । গুচৰসমূহকো অনুসন্ধন কৰা হোৱা নাছিল । এখন অনুসন্ধান কমিটি গঠন কৰা হৈছিল যিখন যথেষ্ট লজ্জাজনক প্ৰতিবেদন দিছিল । এই কমিচনত যিজন মুখ্য বিচাৰক আছিল সেইয়াও কংগ্ৰেছ পাৰ্টিৰ ৰাজ্যসভাৰ সদস্য আছিল । এতিয়াও ন্যায়ধীশে এই কাণ্ডত বলি হোৱা লোকৰ পৰা হাত সাৰি আছে ।

গুজৰাটত হাজাৰ হাজাৰ লোকক কৰায়ত্ত কৰা হৈছিল । বহুতো ঠাইত বেয়াকৈ পুলিচৰ গুলীয়াগুলী হৈছিল । শ-শ লোকক শাস্তি বিহা হৈছিল । উচ্চতম ন্যায়লয়ে গঠন কৰা এচ আই টি কে ধৰি বহুতো অনুসন্ধানত ৰাজ্যৰ মুখ্যমন্ত্ৰী ব্যক্তিগতভাৱে সন্মূখীন হৈছিল তথাপিও তেওঁৰ বিৰুদ্ধে কোনো ধৰণৰ তথ্য পোৱা নগ'ল ।

১৯৮৪ চনত ৰাজ্যই অংশগ্ৰহণ নকৰাৰ ধাৰণা ৰাহুল গান্ধীয়ে ক'ৰ পৰা পালে ?

**দুৰ্নীতিৰ ওপৰত**

বিহাৰৰ দোষী সাব্যস্ত হোৱা নেতাৰ সৈতে কংগ্ৰেছ দ'লে নিজকে সন্মিলিত কৰিছে । লালু প্ৰসাদ যাদৱ অবিহনে ৰাষ্ট্ৰীয় জনতা দ'লৰ অস্তিত্ব নাই । যেতিয়া হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী শ্ৰীযুত বীৰ ভদ্ৰ সিঙৰ বিৰুদ্ধে অভিযোগ উত্থাপিত হৈছিল তেতিয়া এই বিষয়ৰ ওপৰত ৰাহুল গান্ধীয়ে বেলেগ ধৰণৰ মতামত আগবঢ়াইছিল । মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী শীযুত অশোক চৌহানৰ ক্ষেত্ৰতো তেওঁ অশোক চৌহানৰ চৰিত্ৰক লৈ সহানুভূতি প্ৰদৰ্শন কৰিছিল । ২জি স্পেকট্ৰাম আৱণ্টন আৰু কয়লা ব্ল'ক আৱণ্টনৰ বিষয়ৰ ওপৰত তেওঁ মনে মনে থকাৰ পথ বাচি লৈছিল । তেওঁ বিশ্বাস কৰে যে কিছুমান আইনৰ জড়িয়তে দুৰ্নীতিক সমাধান কৰিব পাৰি ।

**তেওঁৰ সাক্ষাৎকাৰৰ সচকিত বক্তব্য**

ৰাহুল গান্ধীয়ে সাক্ষাৎকাৰত কৈছিল, ‘মই বংশবাদৰ ধাৰণাৰ সম্পূৰ্ণৰূপে বিৰোধী, যিসকলে মোক জানে এইয়া জানে আৰু বুজিও পায় ’। সচাঁকৈয়ে শীযুত গান্ধী আপুনি আশা নকৰিব যে দেশৰ জনসাধাৰণে এই কথা বিশ্বাস কৰিব ।